# India-Argentina Foreign Office Consultations

September 10, 2020

---

# ভাৰত- আৰ্জেন্টিনা বৈদেশিক কাৰ্য্যালয় পৰামৰ্শসমূহ

ছেপ্তেম্বৰ 10, 2020

10 ছেপ্টেম্বৰ 2020 তাৰিখে ভিডিঅ' কনফাৰেন্সযোগে ভাৰত আৰু আৰ্জেন্টিনাৰ মাজত পঞ্চম বৈদেশিক কাৰ্য্যালয় পৰামৰ্শ অনুষ্ঠিত হয়। ভাৰতৰ হৈ প্ৰতিনিধিত্ব কৰে শ্ৰী বিজয় ঠাকুৰ সিঙে, সচিব (পূব)। আৰ্জেন্টিনাৰ হৈ প্ৰতিনিধিত্ব কৰে আৰ্জেন্টিনাৰ উপ বৈদেশিক মন্ত্ৰী শ্ৰী পাবল' আঙ্গেলম' টেটামান্টিয়ে।

পৰামৰ্শৰ সময়ত, দুয়ো পক্ষই তেওঁলোকৰ কৌশলগত অংশীদাৰিত্বৰ পৰিকাঠামোৰ ভিতৰত সম্পূৰ্ণ দ্বিপাক্ষিক সহযোগিতাৰ পৰ্যালোচনা কৰে। এই পৰামৰ্শসমূহে ৰাজনৈতিক, বাণিজ্য আৰু অৰ্থনৈতিক সহযোগিতাৰ লগতে প্ৰতিৰক্ষা, মহাকাশ, শক্তি, বিজ্ঞান আৰু প্ৰযুক্তি, ফাৰ্মাচিউটিকেল, মাইনিং, সংস্কৃতি আৰু মানুহৰ সৈতে মানুহৰ যোগাযোগক সামৰি লৈছে।

দুয়ো পক্ষই বিদ্যমান চুক্তিসমূহৰ লগতে যিসমূহ চুক্তিক লৈ কথা-বতৰা চলি আছে, সেইসমূহৰ কাৰ্যকৰীকৰণৰ ওপৰত পৰ্যালোচনা কৰা হয় আৰু প্ৰতিষ্ঠানিক দ্বিপাক্ষিক ব্যৱস্থাৰ নিয়মিত বৈঠক আয়োজন কৰি দ্বিপাক্ষিক এজেণ্ডা আগুৱাই নিয়াৰ বিষয়ত সহমত পোষণ কৰে। তেওঁলোকে শীঘ্ৰেই বৈদেশিক মন্ত্ৰীৰ পৰ্যায়ত যুটীয়া আয়োগৰ বৈঠক অনুষ্ঠিত কৰাৰ কাৰণে সন্মত হয়।

দুয়ো পক্ষই সমূহিয়া স্বাৰ্থৰ আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়সমূহৰ ওপৰত পৰস্পৰে মত বিনিময় কৰে আৰু বহুপাক্ষিত ক্ষেত্ৰত সহযোগিতা বঢ়োৱাৰ বাবে সন্মত হয়। তেওঁলোকে ক'ভিড-19 মহামাৰীৰ সৈতে মোকাবিলা কৰাৰ অভিজ্ঞতা আৰু মত বিনিময় কৰে।

**নতুন দিল্লী**
**ছেপ্তেম্বৰ 10, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.